# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI

0000000000

**Date : 29-12-2024**
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আকাশবাণীৰ মন কী বাত অনুষ্ঠানত মেলেৰীয়া ৰোগ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত যোৰহাট জিলাৰ চাহ বাগানসমূহৰ লোকসকলৰ সমুহীয়া প্ৰচেষ্টাৰ শলাগ লয়।

২। কেন্দ্ৰীয় মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে আজি ত্ৰিপুৰাৰ চেপাহিজালা জিলাৰ চাৰিলাম গাওঁ পৰিদৰ্শন কৰে।

৩। দক্ষিণ কোৰিয়াৰ বিমান দুৰ্ঘটনাত ১৭৯ গৰাকী লোকৰ মৃত্যু হয়। ***আৰু***

৪। চত্তিশগড়ৰ বাষ্টাৰত আয়োজিত অলিম্পিকত, বাষ্টাৰ খণ্ডৰ সাতোখন জিলাৰ ১ লাখ ৬০ হাজাৰতকৈও অধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আকাশবাণীযোগে প্ৰচাৰিত মন কী বাত অনুষ্ঠানত অসমৰ চাহ বাগানসমূহত এসময়ত গুৰুতৰ ৰূপ ধাৰণ কৰা মেলেৰীয়া ৰোগ সম্প্ৰতি স্বাস্থ্য বিভাগে নিয়ন্ত্ৰণলৈ আনিব পৰা বিষয়টোৰ শলাগ লয়। বিশেষকৈ যোৰহাট জিলাৰ চাহ বাগানসমূহৰ লোকসকলে সমুহীয়া প্ৰচেষ্টাত মেলেৰীয়া ৰোগ নিয়ন্ত্ৰণ কৰিবলৈ বহুখিনি সমৰ্থ হোৱাৰ বিষয়টো তেওঁ উল্লেখ কৰে। মেলেৰীয়া নিয়ন্ত্ৰণত সামাজিক মাধ্যমৰ বহুল প্ৰয়োগৰ প্ৰসংগ উত্থাপন কৰি শ্ৰীমোদীয়ে কয়, যে আকাশবাণীয়েও মেলেৰীয়া সন্দৰ্ভত নিয়মীয়াকৈ বাৰ্তা প্ৰচাৰত গুৰুত্ব দি আহিছে। একেদৰে সচেতনতা আৰু সংকল্পৰ জৰিয়তে দেশে কেঞ্চাৰৰ বিৰুদ্ধে চলাই থকা যুঁজতো বহু সাফল্য লাভ কৰা বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। শ্ৰীমোদীয়ে কয়, যে বিখ্যাত চিকিৎসা পত্ৰিকা **লানচেট**ত আয়ুষ্মান ভাৰত যোজনাৰ জৰিয়তে ভাৰতত কেঞ্চাৰ ধৰা পৰাৰ এমাহৰ ভিতৰতে চিকিৎসা আৰম্ভ কৰাটো সম্ভৱ হৈ উঠিছে বুলি উল্লেখ কৰা হৈছে। পূৰ্বে কেঞ্চাৰ ৰোগৰ চিকিৎসাৰ ব্যয় অধিক হোৱা বাবে বহু ৰোগী চিকিৎসাৰ বাবে আগবাঢ়ি আহিব নোৱাৰিছিল বুলি উল্লেখ কৰি তেওঁ কয়, যে সম্প্ৰতি আয়ুষ্মান ভাৰত যোজনাৰ বাবে আজি এয়া সহজ হৈ উঠিছে। সজাগতা, সক্ৰিয়তা, আৰু সুবিধা প্ৰাপ্তিৰ আস্থা কেঞ্চাৰৰ বিৰুদ্ধে যুঁজখনৰ মূল মন্ত্ৰ বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে সকলোকে এই যুঁজত নামি ৰোগীসকলক সহায় কৰিবলৈ আহ্বান জনায়।

মন কী বাতৰ আৰম্ভণিতে প্ৰধানমন্ত্ৰীয়ে দেশৰ সংবিধানৰ গৌৰৱময় যাত্ৰাৰ উল্লেখ কৰে। অহা বছৰৰ ২৬ জানুৱাৰীত দেশত সংবিধান কাৰ্যকৰী হোৱাৰ ৭৫ বছৰ সম্পূৰ্ণ হ'ব। আজিৰ অনুষ্ঠানত তেওঁ উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত ১৩ জানুৱাৰীৰ পৰা হ'বলগীয়া মহাকুম্ভ মেলাৰ বিষয়েও উল্লেখ কৰে। তেওঁ কয়, যে মহাকুম্ভত দেখা পোৱাৰ দৰে বৈচিত্ৰ্যৰ মাজত একতাৰ দৃশ্য বিশ্বৰ কোনো ঠাইতে দেখা পোৱা নাযায়। শ্ৰীমোদীয়ে এনিমেশ্বন চিনেমা, নিয়মীয়া চিনেমা, টিভি চিৰিয়েল আদিৰ জনপ্ৰিয়তাৰ প্ৰসংগ উল্লেখ কৰি কয়, যে এই সৃষ্টিশীল উদ্যোগটোৱে দেশৰ প্ৰগতিত ভূমিকা গ্ৰহণ কৰাৰ লগতে দেশৰ অৰ্থনীতিকো আগুৱাই নিছে।

অনুষ্ঠানৰ শেষত প্ৰধানমন্ত্ৰীয়ে কয়, যে সৰু আৰম্ভণিৰ জৰিয়তেও ডাঙৰ পৰিৱৰ্তন কৰিব পাৰি, কেৱল ইয়াৰ বাবে দৃঢ় সংকল্প আৰু দলীয় উদ্যমৰ প্ৰয়োজন হয়। মন কী বাতক দেশবাসীয়ে নিজৰ অনুষ্ঠান হিচাপে গঢ়ি তোলা বুলি মন্তব্য কৰি শ্ৰীমোদীয়ে ইয়াৰ বাবে সকলোকে ধন্যবাদ জনায়। সামৰণিত আসন্ন ইংৰাজী নৱবৰ্ষৰ বাবে প্ৰধানমন্ত্ৰীয়ে দেশবাসীক শুভেচ্ছা জ্ঞাপন কৰে।

০০০০০

ভাৰতীয় জনতা পাৰ্টীৰ নতুন দিল্লীত থকা দলীয় মুখ্য কাৰ্যালয়ত অব্যাহত থকা দলটোৰ সংস্থাগত নিৰ্বাচন পৰ্যালোচনা বৈঠকত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই আজি বিয়লি ভাষণ দিয়ে। সাংগঠনিক সাধাৰণ সম্পাদক বি এল সন্তোষ, ৰাষ্ট্ৰীয় সাধাৰণ সচিবসকল, ৰাজ্যিক সভাপতিসকল, ৰাজ্যিক সাংগঠনিক সাধাৰণ সম্পাদক তথা সাংগঠনিক নিৰ্বাচন তত্বাৱধায়ক তথা সহ তত্বাৱধায়কসকল বৈঠকত উপস্থিত থাকে। দলীয় সূত্ৰই প্ৰকাশ কৰা অনুসৰি মণ্ডল, জিলা আৰু ৰাজ্যিক কমিটিৰ সদস্য নিৰ্বাচন সন্দৰ্ভত বৈঠকত গুৰুত্ব আৰোপ কৰা হৈছে। উল্লেখযোগ্য যে, দলটোৱে অহা ১৫ জানুৱাৰীৰ পূৰ্বে মণ্ডল, জিলা আৰু ৰাজ্যিক পদসমূহৰ বাবে দেশৰ ৫০ শতাংশ ৰাজ্যত নিৰ্বাচন সম্পূৰ্ণ কৰাৰ লক্ষ্য লৈছে।

০০০০০

কেন্দ্ৰীয় গ্ৰাহক পৰিক্ৰমা খাদ্য আৰু ৰাজহুৱা বিতৰণ তথা নতুন আৰু নৱীকৰণযোগ্য শক্তিমন্ত্ৰী প্ৰহ্লাদ যোশীয়ে আজি ত্ৰিপুৰাৰ চেপাহিজালা জিলাৰ চাৰিলাম গাওঁ পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে কৃষকসকলৰ বাবে ত্ৰিপুৰা নৱীকৰণযোগ্য শক্তি উন্নয়ন সংস্থাই গ্ৰহণ কৰা নৱীকৰণযোগ্য শক্তি প্ৰকল্পৰ কাম কাজৰ অগ্ৰগতিৰ বুজ লয়। অঞ্চলটোত মন্ত্ৰালয়ৰ কাম কাজৰ অগ্ৰগতি পৰ্যালোচনা কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে পি এম কুসুম আঁচনিৰ অধীনত ৫৪ একৰ ভূমি সামৰি ২৭ টা এছ পি ভি পাম্প আৰু নৱীকৰণযোগ্য শক্তি মন্ত্ৰালয়ৰ আঁচনিৰ অধীনত ৩৫ টা এল ই ডি চালিত এছ পি ভি ষ্ট্ৰীটলাইটৰ ব্যৱস্থা কৰা হৈছে। তেওঁ লগতে কয়, যে এই পদক্ষেপসমূহৰ জৰিয়তে দ্বৈত কৃষি ব্যৱস্থাৰ সফল ৰূপায়ণে কৃষকসকলৰ আয় দুগুণলৈ বৃদ্ধি কৰিছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কালিৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে ত্ৰিপুৰা ভ্ৰমণ কৰি কেইবাটাও অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই ভ্ৰমণকালত মন্ত্ৰীগৰাকীয়ে ভাৰতীয় খাদ্য নিগমৰ কাৰ্যালয় তথা ৰাজ্যিক ভড়ালসমূহ পৰিদৰ্শন কৰে। তেওঁ খাদ্য শস্যৰ ভড়াল তথা বিতৰণ ব্যৱস্থাৰ সাম্প্ৰতিক পৰিস্থিতিৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰী ডাঃ মানিক সাহা তথা আন বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হৈ পি এম গৰীৱ কল্যাণ অন্ন যোজনা, পি এম কুসুম, আৰু পি এম সূৰ্য্যঘৰ বিনামূলীয়া বিজুলী যোজনাৰ দৰে কেন্দ্ৰীয় আঁচনিসমূহৰ ৰূপায়ণ তথা অগ্ৰগতি পৰ্যালোচনা কৰে।

০০০০০

দক্ষিণ কোৰিয়াৰ চিউলৰ ২৯০ কিলোমিটাৰ দক্ষিণে মুৱান আন্তৰাষ্ট্ৰীয় বিমান বন্দৰত বেংককৰ পৰা যোৱা জেজু এয়াৰৰ এখন বিমান দুৰ্ঘটনাত পতিত হোৱাত বিমানখনত থকা ১৮১ গৰাকী আৰোহীৰ ভিতৰত ১৭৯ গৰাকীৰ মৃত্যু হয়। দক্ষিণ কোৰিয়াৰ অগ্নি নিৰ্বাপক সংস্থাই প্ৰকাশ কৰা অনুসৰি বিমানখনৰ দুগৰাকী কৰ্মীৰ প্ৰাণ ৰক্ষা পৰিছে। দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতি চ'ই চেং মোকে এই ঘটনাৰ বাবে ৪ জানুৱাৰীলৈ ৰাষ্ট্ৰীয় শোক ঘোষণা কৰিছে। বয়িং ৭৩৭-৮০০ বিমানখন মুৱান আন্তৰাষ্ট্ৰীয় বিমান বন্দৰত অৱতৰণ কৰাৰ সময়ত আজি পুৱা এই ঘটনা সংঘটিত হয়। উদ্ধাৰ অভিযান এতিয়াও অব্যাহত আছে। বিমানখনৰ দুয়োটা ব্লেকবক্স তথা ফ্লাই ডাটা আৰু ভইছ্ ৰেকৰ্ড উদ্ধাৰ কৰা হৈছে। পৰিবহন মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি আৰক্ষী, সেনা তথা উপকূলৰক্ষী বাহিনীৰ ৭০০ গৰাকী জোৱান

ঘটনাস্থলীত উপস্থিত থাকি উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। ভিডিঅ'ত পৰিলক্ষিত হোৱা অনুসৰি বিমানখন ৰানৱেৰে আহি থকা অৱস্থাত এখন বেৰত খুন্দা মাৰি জ্বলি যায়। দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতি চ'ই চেং মোকে ঘটনাস্থলী পৰিদৰ্শন কৰি জৰুৰীকালিন সহায় আগবঢ়োৱাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। কোৰিয়া বিমানবন্দৰ নিগমে মুৱান আন্তৰাষ্ট্ৰীয় বিমানবন্দৰলৈ আহিবলগীয়া সকলো বিমান যাত্ৰা বাতিল কৰিছে।

০০০০০

অষ্ট্ৰেলিয়াৰ মেলবৰ্ণৰ পৰা প্ৰায় ২৩০ কিলোমিটাৰ পশ্চিমত অৱস্থিত গ্ৰেম্পিয়ানছ ৰাষ্ট্ৰীয় উদ্যানত ভয়ংকৰ বনজুইৰ ঘটনা সংঘটিত হৈছে। এই বনজুইত ক্ষতিগ্ৰস্ত লোকসকলৰ বাবে অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী এন্টনি এলবানিছে এককালীন আৰ্থিক সাহাৰ্যৰ কথা ঘোষণা কৰিছে।

আজি প্ৰধানমন্ত্ৰী গৰাকীয়ে বনজুইৰ ফলত হোৱা ক্ষয় ক্ষতিৰ মূল্যায়ন কৰে। তেওঁ জনোৱা মতে, অগ্নিকাণ্ডৰ ফলত প্ৰত্যক্ষভাৱে প্ৰভাৱিত শ্ৰমিক আৰু ব্যৱসায়ীসকলক কাইলৈৰ পৰা ফেডাৰেল আৰু ৰাজ্য চৰকাৰৰ দুৰ্যোগ প্ৰাধীকৰণৰ তৰফৰ পৰা আৰ্থিক সাহাৰ্য প্ৰদান কৰা হ'ব। উল্লেখ্য, যোৱা ৬ ডিচেম্বৰত হোৱা বজ্ৰপাতৰ পাছত আৰম্ভ হোৱা এই বন জুইত ৭০ হাজাৰ হেক্টৰৰো অধিক কৃষিভূমি, ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যক্তিগত সম্পত্তি জাহ গৈছে। বনজুইৰ ফলত কোনো লোক আহত হোৱাৰ খবৰ পোৱা নাই যদিও যথেষ্ট সংখ্যক পশুধনৰ মৃত্যু হৈছে।

০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসমকে ধৰি মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত নিশা আৰু পুৱাৰ ভাগত ঘন কুঁৱলী পৰাৰ আগজাননী দিছে। একেদৰে পাঞ্জাৱ, হাৰিয়ানা আৰু ৰাজস্থানতো ২ৰ পৰা ৩ দিনৰ ভিতৰত অতি ঘন কুঁৱলী পৰিব পাৰে বুলি বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে। বিভাগে দিয়া আগলি বতৰা অনুসৰি অহা পাঁচ দিনত উত্তৰ প্ৰদেশৰ তাপমাত্ৰা বৰ্তমানতকৈ ৪ৰ পৰা ৬ ডিগ্ৰী চেলছিয়াছ হ্ৰাস হ'ব। আনহাতে পঞ্জাৱ, হাৰিয়ানা, চণ্ডীগড়, দিল্লী আৰু ৰাজস্থানৰ তাপমাত্ৰা ৩ৰ পৰা ৪ ডিগ্ৰী চেলছিয়াছ হ্ৰাস হোৱাৰ সম্ভাৱনা আছে। একেদৰে বিভাগে অহা ১ জানুৱাৰীৰ পৰা ৪ জানুৱাৰিলৈ পশ্চিম হিমালয় অঞ্চলসমূহত বৰষুণ আৰু তুষাৰপাত হোৱাৰ সম্ভাৱনা আছে বুলি জানিবলৈ দিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২৪ ৰ ফিডে উইমেনছ্ ৱৰ্ল্ড ৰেপিড ছেম্পিয়নশ্বিপত খিতাপ অৰ্জন কৰা কনেৰু হামপিক অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত  শ্ৰীমোদীয়ে দ্বিতীয়টো ৱৰ্ল্ড ৰেপিড ছেম্পিয়নশ্বিপৰ খিতাপ অৰ্জন কৰা ডবা খেলুৱৈগৰাকীক প্ৰশংসা কৰে। উল্লেখযোগ্য যে এই সাফল্য অৰ্জন কৰা তেওঁ হৈছে একমাত্ৰ ভাৰতীয়। কনেৰু  হামপিৰ প্ৰতিভা আৰু দক্ষতাই লাখ লাখ লোকক অনুপ্ৰাণিত কৰিব বুলি শ্ৰীমোদীয়ে মত প্ৰকাশ কৰে।

ooooo

এসময়ত মাওবাদী অধ্যুষিত এলেকা হিচাপে জনাজাত চত্তিশগড়ৰ বাষ্টাৰত আয়োজিত অলিম্পিকত বাষ্টাৰ খণ্ডৰ সাতোখন জিলাৰ ১ লাখ ৬০ হাজাৰতকৈও অধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। এই খেলুৱৈসকলে বিভিন্ন শিতানত প্ৰতিভা প্ৰদৰ্শন কৰিছে। যোৱা ১৫ ডিচেম্বৰত জগদলপুৰত বাষ্টাৰ অলিম্পিকৰ সামৰণি পৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই অলিম্পিকে বাষ্টাৰ অঞ্চলৰ যুৱ চাম বিশেষকৈ জনজাতীয় যুৱ চামৰ মাজলৈ শক্তি, উৎসাহ আৰু আশাৰ নতুন ৰেঙণি কঢ়িয়াই আনিছে। এই অনুষ্ঠানৰ জৰিয়তে বাষ্টাৰৰ যুৱচামৰ নতুন ভাৰত নিৰ্মাণ কৰাৰ ক্ষেত্ৰত সক্ৰিয় ভূমিকা পালন কৰাৰ প্ৰত্যাশা প্ৰতিফলিত হৈছে।

ooooo

সমাপ্ত